**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-01-2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

পশ্চিম প্ৰশান্ত মহাসাগৰীয় দ্বীপ ৰাষ্ট্ৰ ফেডাৰেটেড ষ্টেট্‌ছ অব্ মাইক্ৰ’নেছিয়া চমুকৈ এফ এছ এম ভ্ৰমণৰত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই কালি গণৰাজ্যখনৰ ৰাষ্ট্ৰপতিয়ে আয়োজন কৰা অভ্যৰ্থনাত অংশ লৈ অসমৰ বড়ো জনগোষ্ঠীৰ হস্ততাঁত শিল্পৰ প্ৰশংসা কৰে। কেন্দ্ৰীয় হস্ততাঁত বস্ত্ৰ দপ্তৰৰো ৰাজ্যমন্ত্ৰীগৰাকীয়ে বড়ো জনগোষ্ঠীৰ আৰ’নাইখনৰ ঐতিহ্যৰ বিষয়ে তেওঁলোকক অৱগত কৰে।

ইয়াৰ আগেয়ে মন্ত্ৰীগৰাকীয়ে এফ এছ এমৰ ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতিৰ লগতে দেশখনৰ কেবিনেট মন্ত্ৰীসকলৰ লগত আলোচনাত মিলিত হৈ ভাৰতবৰ্ষৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক উন্নীত কৰাৰ বিভিন্ন পন্থা সম্পৰ্কে আলোচনা কৰে। বিশাল জলকালিৰ এই গুৰুত্বপূৰ্ণ দেশখনে ভাৰতৰ ইতিহাস আৰু ঐতিহ্যৰ প্ৰতি প্ৰদৰ্শন কৰা সন্মান আৰু শ্ৰদ্ধাৰ বাবে তেওঁ সন্তুষ্টি প্ৰকাশ কৰে।

0000000

অসমৰ চাহ বাগিচা অঞ্চলত স্বাস্থ্যসেৱাৰ উন্নয়নৰ বাবে আজি ৩৫৪ খন চাহ বাগিচা চিকিৎসালয়ক আয়ুষ্মান আৰোগ্য মন্দিৰলৈ উন্নীতকৰণৰ বাবে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হ’ব। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহল আৰু চাহ জনজাতি কল্যাণ মন্ত্ৰী ৰূপেশ গোৱালাই চাহ বাগিচাৰ কৰ্তৃপক্ষৰ সৈতে আজি বিয়লি দিছপুৰত এই চুক্তি স্বাক্ষৰ কৰিব। এই স্বাস্থ্য প্ৰতিষ্ঠানসমূহত পৰ্যাপ্ত ঔষধ, ৰোগ চিনাক্তকৰণৰ সা-সুবিধাৰ লগতে অন্যান্য প্ৰয়োজনীয় ব্যৱস্থাসমূহ ৰখা হ’ব। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ অধীনত সামূহিক স্বাস্থ্য বিষয়াসকলে চাহ বাগিচা চিকিৎসালয়ৰ চিকিৎসা বিষয়াসকলৰ সহযোগত সেই অঞ্চলৰ বাসিন্দাসকলক উন্নত স্বাস্থ্য সেৱা প্ৰদানৰ ব্যৱস্থা কৰিব।

0000000

চলিত বৰ্ষৰ দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱৰ আজি অন্তিম দিন ১৩খন জিলাৰ বিভিন্ন বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ বহিঃমূল্যায়ন কৰা হ’ব।। কাৰ্যসূচীৰ দ্বিতীয় দিনা কালি ৰাজ্যৰ ৫ হাজাৰ ৩৬০ খন বিদ্যালয়ৰ ৪ লাখ ৭৪ হাজাৰৰো অধিক শিক্ষাৰ্থীৰ বহিঃমূল্যায়ন কৰা হয়। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই বিষয়ে প্ৰকাশ কৰে। বিদ্যালয়সমূহৰ শৈক্ষিক গুণগত মান নিৰ্ণয়ৰ বাবে অবিভক্ত বাক্সা জিলাৰ এহেজাৰ ৬৮৫ খন বিদ্যালয়ৰ এক লাখৰো অধিক ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ন কৰা হৈছে। বাক্সা আৰু তামুলপুৰ শিক্ষা খণ্ডক সামৰি হোৱা এই কাৰ্যসূচীত জিলা দুখনৰ শিক্ষা বিভাগে এহেজাৰ ৬৮৫গৰাকী নডেল বিষয়া নিয়োগ কৰিছে। আজি পুৱা ৯ বজাত জিলাখনৰ বিদ্যালয়সমূহত শৃংখলাবদ্ধভাৱে গুণোৎসৱ আৰম্ভ হয়। উল্লেখযোগ্য যে, গুণোৎসৱৰ এই পৰ্যায়ত চৰাইদেউ, ধেমাজি, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, তিনিচুকীয়া, শোণিতপুৰ, পশ্চিম কাৰ্বি আংলং, কামৰূপ মহানগৰ, ধুবুৰী, চিৰাং আৰু বাক্সা জিলাৰ মূল্যায়ন কৰা হয়।

0000000

মহাকাশৰ জ্যোতিষ্কসমূহৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক সম্যক জ্ঞান দিয়াৰ লগতে জ্যোতিৰ্বিজ্ঞানৰ প্ৰতি তেওঁলোকক আকৰ্ষিত কৰাৰ বাবে শিৱসাগৰ জিলা প্ৰশাসনে বিশেষ ব্যৱস্থা লৈছে। জিলাখনৰ শিক্ষা বিভাগৰ সহযোগত শিৱসাগৰ নগৰৰ বৰ্ডিং খেলপথাৰত কালিৰেপৰা সৌৰজগতৰ গ্ৰহ, নক্ষত্ৰ আৰু

তাৰকাসমূহ প্ৰত্যক্ষ কৰাৰ বাবে অভিনৱ কাৰ্যসূচী লোৱা হৈছে। নতুন দিল্লীৰ ছাইন্স জিনি নামৰ এটা প্ৰতিষ্ঠানৰ সহযোগত কালি সন্ধিয়া আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলে বৃহস্পতি, শনি, শুক্ৰ আৰু মঙ্গল গ্ৰহ দৰ্শন কৰে।দুদিনীয়াকৈ আয়োজিত এই কাৰ্যসূচীত উচ্চ ক্ষমতাসম্পন্ন দূৰবীণৰ জৰিয়তে কমেও ৮০০গৰাকী ছাত্ৰ-ছাত্ৰীক গ্ৰহ, নক্ষত্ৰ চোৱাৰ সুবিধা দিয়া হ'ব। কালি ছাত্ৰ-ছাত্ৰীসকলে সৌৰজগতৰ এই গ্ৰহসমূহ প্ৰত্যক্ষ কৰি উৎফুল্লিত হৈ পৰা পৰিলক্ষিত হয়। দূৰবীণৰ পৰা মহাকাশ দৰ্শন কৰোৱাৰ লগতে হাইড্ৰ ৰকেটৰ নমুনা প্ৰদৰ্শন আৰু জ্যোতিৰ্বিজ্ঞানৰ বিভিন্ন আকৰ্ষণীয় তথ্য আৰু আলোকচিত্ৰ ছাত্ৰ-ছাত্ৰীসকলক দেখুওৱা হ'ব বুলি কোৱা হৈছে।

০০০০০০০

বৰপেটা আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ বনকৰ্মীৰ দলে কালি সৰ্থেবাৰীৰ পৰা পৰিভ্ৰমী চৰাই চোৰাংভাৱে সৰবৰাহ কৰা দুজন লোকক গ্ৰেপ্তাৰ কৰে। লোক দুজন সৰ্থেবাৰীৰ সমীপৰ কালদিয়া পথাৰ গাঁৱৰ জাহাংগীৰ আলি আৰু মনিৰুল ইছলাম বুলি চিনাক্ত কৰা হৈছে। উল্লেখযোগ্য যে, সৰ্থেবাৰীৰ সমীপৰ কাপলা বিললৈ শীতকালত অগণন পৰিভ্ৰমী চৰাইৰ আগমণ ঘটে। ইয়াৰ সুযোগ লৈ চোৰাং চিকাৰীয়ে চৰাইসমূহ ধৰি সৰবৰাহ কৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে। কালি গ্ৰেপ্তাৰ কৰা লোক দুজনক বৰপেটা আদালতত হাজিৰ কৰোৱাই কাৰাগাৰলৈ প্ৰেৰণ কৰা হয়।

০০০০০০০

এগৰাকী মহিলাক শাৰীৰিকভাৱে অপদস্থ কৰাৰ অভিযোগ ধুবুৰী জিলাৰ গৌৰীপুৰ বন সংমণ্ডলৰ কাৰ্যালয়ৰ এজন বনকৰ্মীক ধুবুৰী আৰক্ষীয়ে কালি গ্ৰেপ্তাৰ কৰে। মহিলাগৰাকীৰ গোচৰৰ ভিত্তিত জিলাখনৰ গোলকগঞ্জ আৰক্ষীয়ে খন্দকাৰ ৰেজ্জাক আহমেদ নামৰ বনকৰ্মীজনক গ্ৰেপ্তাৰ কৰে। গোলকগঞ্জ আৰক্ষীয়ে লোকজনৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ৬৪ নম্বৰ ধাৰাত গোচৰ ৰুজু কৰিছিল। লোকজনক কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছে বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

০০০০০০০

শিৱসাগৰ জিলাৰ নামতিৰ ছহিদ পিয়লি ফুকন মহাবিদ্যালয়ত কালিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ অনুষ্ঠিত হৈছে। এই মহোৎসৱৰ বিশ্ববিদ্যালয়খনৰ অধীনৰ ৬০ খন মহাবিদ্যালয়ৰ এহেজাৰ ৪০০ গৰাকী প্ৰতিযোগীয়ে অংশ লৈছে। পৰহিলৈ এই অনুষ্ঠানৰ সামৰণি পৰিব।

০০০০০০০

ভাৰত ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া টি ২০ শৃংখলাৰ প্ৰথমখন খেল আজি কলকাতাৰ ইডেন গাৰ্ডেনত খলোৱা হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হব। অষ্ট্ৰেলিয়াত বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফী শৃংখলাত পৰাজয়ৰ পিছত ভাৰতে ইংলেণ্ডৰ বিৰুদ্ধে পাঁচখন টি-২০ আৰু তিনিখন এদিনীয়া খেল খেলিব। প্ৰবীণ পেচ বলাৰ মহম্মদ শ্বামী ভাৰতীয় দললৈ দীৰ্ঘদিনৰ বিৰতিৰ পাছত এই শৃংখলাত ভাগ লব। সূৰ্য্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলটোৱে ২ ফেব্ৰুৱাৰীত মুম্বাইত চূড়ান্ত টি-২০ খেলত ভাগ লব। টি-২০ শৃংখলাৰ পিছত ৬ ফেব্ৰুৱাৰীৰ পৰা দুয়োখন দেশৰ মাজত এদিনীয়া শৃংখলা অনুস্থিত হব।০০০০০০০

সমাপ্ত